**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-FEB-2026
**Time :** 0900  Hrs

## *Assamese Morning Bulletin*
## *Headlines*

-------------------------------

১। সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত মৰাণত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে উদ্বোধন।

২। শিলিগুড়িৰ পৰা গুৱাহাটী হৈ যোৰাবাটলৈ উচ্চ গতিসম্পন্ন এক্সেছ কণ্ট্ৰ'ল্ড কৰিড'ৰ নিৰ্মাণ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ৰাজ্যসভাত প্ৰকাশ।

৩। ৰাজ্যসভাৰ বিতৰ্কত অংশগ্ৰহণ কৰি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ অসমৰ সাংস্কৃতিক ঐতিহ্য, ভাষা আৰু জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ।

৪। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মিত্ৰতা আৰু প্ৰাৰ্থিত্বকেন্দ্ৰিক আলোচনা অব্যাহত।

**আৰু**

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত আজি কেৰালা পাঞ্জাৱৰ আৰু ৰে'লৱে ছাৰ্ভিচেছৰ মুখামুখি।

०००००০

সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ফেব্ৰুৱাৰীত ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে ই এল এফ, আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত এই অত্যাধুনিক ৰান্‌ৱে নিৰ্মাণ কৰা হৈছে। যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত এই ৰাষ্ট্ৰীয় ঘাইপথ নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। উদ্বোধনীৰ পাছতে মৰাণৰ আকাশত বায়ুসেনাৰ শক্তিশালী যুঁজাৰু বিমানসমূহে উৰণ কৌশল প্ৰদৰ্শন কৰিব। ৰাফেল, ছুখয়, মিগ্‌, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব। ৰানৱেৰ দুয়োফালে শক্তিশালী সুৰক্ষাৰ বেৰ আধুনিক সামৰিক বিমান নিয়ন্ত্ৰণ   স্তম্ভকে ধৰি সকলো অত্যাৱশ্যকীয় সুৰক্ষা ব্যৱস্থা সংযোজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সেই স্থান পৰিদৰ্শন কৰি জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু বায়ুসেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সামগ্ৰিক পৰ্যালোচনা কৰিছে। উদ্বোধনৰ এসপ্তাহ পূৰ্বৰেপৰা সুৰক্ষাজনিত কাৰণত মৰাণৰ ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথত সকলো যান-বাহনৰ চলাচল সাময়িকভাৱে বন্ধ ৰখা হ'ব বুলি জানিব পৰা গৈছে। বন বিভাগে পথৰ দাঁতিসমূহ পৰিষ্কাৰ কৰাৰ লগতে উৰণ-অৱতৰণত বাধাৰ সৃষ্টি কৰিব পৰা ম'বাইল টাৱাৰসমূহ স্থানান্তৰ কৰিছে। ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে বিমানযোগে ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰাৰ পাছতে যুঁজাৰু বিমানৰ কৌশল প্ৰদৰ্শন উপভোগ কৰিব। ইয়াৰ পাছতে আয়োজিত এখন জনসভাত তেওঁ ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত কালি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিমূলক কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পথ যোগাযোগ ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে উচ্চ গতিসম্পন্ন এক্সেছ কণ্ট্ৰ'ল্ড কৰিড'ৰ নিৰ্মাণ কৰা হ'ব বুলি কালি ৰাজ্যসভাত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সদৰি কৰে। সদনৰ প্ৰশ্নোত্তৰ কালত পশ্চিমবংগৰ বিজেপিৰ সাংসদ সমিক ভট্টাচাৰ্যই উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ইতিমধ্যে এই প্ৰকল্প ৰূপায়ণৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ বিশেষজ্ঞ পৰামৰ্শদাতা সমিতিক দায়িত্ব দিয়া হৈছে। প্ৰতিবেদন প্ৰস্তুতৰ পাছতে ভূমি অধিগ্ৰহণ, প্ৰকল্পৰ আনুমানিক ব্যয় তথা সময়সীমা নিৰ্ধাৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰস্তাৱিত কৰিড'ৰটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ অন্যান্য প্ৰান্তক সংযোগ ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। শিলিগুড়িৰ পৰা গুৱাহাটী হৈ যোৰাবাটলৈ সম্প্ৰসাৰিত হ'বলগীয়া প্ৰায় ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উচ্চ গতিৰ কৰিড'ৰটোৱে যাত্ৰীবাহী বাহনৰ চলাচল সুচল কৰাৰ লগতে বাণিজ্যিক দিশতো আমুল পৰিৱৰ্তন সাধন কৰিব বুলি কোৱা হৈছে।

ইপিনে, গুৱাহাটীৰ পৰা তেজপুৰ হৈ শিলঘাটলৈকে ১৫৪ কিলোমিটাৰ নতুন ৰে'লপথ স্থাপনৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন যুগুত কৰা হৈছে বুলি কালি লোকসভাত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে। আগিয়াঠুৰীৰ পৰা ডেকাৰগাঁৱলৈকে ১২৯ কিলোমিটাৰ আৰু ডেকাৰগাঁৱৰ পৰা শিলঘাটলৈকে ২৫ কিলোমিটাৰ ৰে'ল প্ৰকল্প ৰূপায়ণৰ বিষয়টোক লৈ কালি ৰে'লমন্ত্ৰীগৰাকীয়ে সদনত বিবৃতি দিয়ে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি ৰাজ্যসভাত অসমৰ সাংস্কৃতিক ঐতিহ্য, ভাষা আৰু জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষাৰ বিষয়ত দৃঢ়ভাৱে মত প্ৰকাশ কৰে। তেওঁ অসমৰ উন্নয়নৰ শেহতীয়া ছবিখন সদনত অৱলোকন কৰে। তেওঁ লগতে কংগ্ৰেছ দলৰ দীৰ্ঘদিনীয়া শাসনকালত ৰাজ্যখনৰ প্ৰতি ভূমিকাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰসংগ উল্লেখ কৰি বিজেপি নেতৃত্বাধীন চৰকাৰে বিশ্ববৰেণ্য শিল্পীগৰাকীক ভাৰতৰত্নৰে বিভূষিত কৰাৰ প্ৰসংগও উত্থাপন কৰে।

বাইট

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে মিত্ৰতা আৰু প্ৰাৰ্থিত্বকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৪ ফেব্ৰুৱাৰীত অসম ভ্ৰমণৰ সময়ত গুৱাহাটীত হ'বলগীয়া বিজেপিৰ কাৰ্যকৰ্তা সভাত দলীয় ৰণকৌশল যুগুত কৰা হ'ব বুলি সম্ভাৱনা প্ৰকাশ পাইছে। একেদৰে ২১ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণৰ পাছতে ৰাজ্যিক বিজেপিৰ প্ৰাৰ্থী তালিকা চূড়ান্ত কৰাৰ উপৰি মিত্ৰ দলৰ সৈতে আসন বুজাবুজি সন্দৰ্ভত সকলো বিষয় চূড়ান্ত হ'ব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, অসম গণ পৰিষদ দলে পূৰ্বতকৈ আসন বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে। মিত্ৰতা সন্দৰ্ভত অনানুষ্ঠানিক আৰু প্ৰাথমিক পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছে বুলি দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আশা প্ৰকাশ কৰিছে।

**বাইট (কেশৱ)**

কংগ্ৰেছ দলেও প্ৰাৰ্থী বাছনিৰ বাবে আলোচনা কৰি থকাৰ লগতে মিত্ৰতা সম্পৰ্কতো আলোচনা অব্যাহত ৰাখিছে। কালি দলৰ কেইবাগৰাকীও শীৰ্ষ নেতাই গুৱাহাটীত এখন অনানুষ্ঠানিক বৈঠকত মিলিত হয়। এই বৈঠকত দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈ, দলৰ নেতা ৰিপুণ বৰা, ভূপেন বৰা, দেৱব্ৰত শইকীয়াকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে। বৈঠক সন্দৰ্ভত দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে এইদৰে কয় –

**বাইট (গৌৰৱ)**

০০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি শিৱসাগৰ জিলাৰ অধীনৰ ডিমৌ, শিৱসাগৰ আৰু নাজিৰা তিনিওটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনী ২০২৬ৰ কাম জিলা নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত নিয়াৰিকৈ চলি আছে। নিৰ্বাচন বিভাগে পোৱা দাবী-আপত্তিৰ নিষ্পত্তিৰ কামসমূহ ইতিমধ্যে সম্পূৰ্ণ হোৱাৰ দিশত হোৱা বুলি জানিবলৈ দিছে। জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ বিভিন্নজনৰ নাম কৰ্তনৰ বাবে লাভ কৰা অভিযোগ সন্দৰ্ভত অন্তিম পৰ্যায়ৰ শুনানি গ্ৰহণ কৰি থকা হৈছে। এই সময়ছোৱাত দাবী-আপত্তিসমূহ, জনপ্ৰতিনিধিত্ব আইন ১৯৫০ আৰু ভোটাৰ পঞ্জীয়ন অধিনিয়ম ১৯৬০ অনুসৰি নিষ্পত্তি কৰাটো বাঞ্চনীয়। এই ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ কাৰ্যত বাধা সৃষ্টি কৰাৰ উদ্দেশ্যে একাংশ লোকে সামাজিক মাধ্যমত অপ্ৰচাৰ চলাই থকা বুলি নিৰ্বাচনী আয়োগে উল্লেখ কৰি এই অপ্ৰচাৰক গুৰুত্ব নিদিবলৈ আহ্বান জনাইছে। এজনো ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন হোৱা নাই বুলি জিলা প্ৰশাসনৰ তৰফৰ পৰা স্পষ্ট কৰি দিয়া হৈছে। জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ ভোটাৰসকলে ভোটাৰ তালিকাত নিজৰ নাম থকা-নথকা বিষয়টো ভোটাৰ হেল্পলাইন এপৰ জৰিয়তে পৰীক্ষা কৰি চাব পাৰিব বুলি জিলা প্ৰশাসনে উল্লেখ কৰে। ভোটাৰ তালিকাত নাম কৰ্তন হ'লে ততালিকে নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈও জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচন সমাগত। নিৰ্বাচনৰ প্ৰস্তুতিৰ আলেখ-লেখ আৰু প্ৰাৰ্থিত্বকেন্দ্ৰিক কুচকাৱাজ সন্দৰ্ভত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটী কেন্দ্ৰই দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশেষজ্ঞৰ লগতে আকাশবাণীৰ সংবাদদাতাসকলে ভাগ ল'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বিজেপি নেতা য়ুমনাম খেমচান্দ সিঙে কালি মণিপুৰৰ লোকভৱনত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই ইম্ফলত থকা লোকভৱনত নতুন মুখ্যমন্ত্ৰীগৰাকীক শপত বাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে নেমচা কিপগেন আৰু ল'ধি দিখোই উপ-মুখ্যমন্ত্ৰী হিচাপে আৰু গোবিন্দাচ কোন্থৌজেমে গৃহমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ কৰে। ৰাজ্যখনত যোৱা বছৰ ১৩ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হৈছিল। উল্লেখযোগ্য যে কালি দিল্লীত মণিপুৰৰ বিজেপি বিধায়কসকলৰ বৈঠকত য়ুমনাম খেমচান্দ সিঙক নেতা হিচাপে বাছনি কৰা হৈছিল। কালি এন ডি এৰ আন সহযোগী দলসমূহৰ বৈঠকত মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰী নাম চূড়ান্ত কৰা হয়। মণিপুৰৰ ৬০ জনীয়া বিধানসভাত বৰ্তমান ৩৭ গৰাকী বিধায়ক আছে। অহা বছৰ এই চৰকাৰৰ কাৰ্যকাল সম্পূৰ্ণ হ'ব।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰং প্ৰেক্ষাগৃহত কালি লোকভৱনৰ উদ্যোগত উজনি অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰূপায়ণ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু উজনি অসমৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ ক্ষেত্ৰত শিক্ষাবিদ আৰু শিক্ষানুষ্ঠানসমূহে গ্ৰহণ কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকা আৰু শিক্ষা নীতি ৰূপায়ণৰ পাছতে সৃষ্টি হোৱা প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰি এই আলোচনা অনুষ্ঠিত হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই এই বৈঠকত শিক্ষাৰ্থীসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি সাধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নীতি-নিৰ্দেশনা তথা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন আজি অনুষ্ঠিত হ'ব। চিলাপথাৰত দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া প্ৰথমখন খেলত যোৱাবাৰৰ বিজিত কেৰালা-পাঞ্জাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনখন খেল দিনৰ ডেৰ বজাৰ পৰা ৰে'লৱে আৰু ছাৰ্ভিচেছৰ মাজত ঢকুৱাখনাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

000000

আই চি চিৰ ১৯বছৰ অনুৰ্ধৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ অৰ্জনৰ যুঁজত কাইলৈ ভাৰত ইংলেণ্ডৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত জিম্বাবুৱেৰ হাৰাৰেত আৰম্ভ হ'ব। কালি একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰি ভাৰতে ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ৪১ অ'ভাৰ আৰু ১টা বলত ৩টা উইকেট হেৰুৱাই ৩১১ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। আৰন জৰ্জে সৰ্বাধিক ১১৫ আৰু বৈভৱ সূৰ্য্যবংশীয়ে ৩৩টা বলত ৬৮ ৰান কৰে। ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেটিং কৰিবলৈ নমা আফগানিস্তানে নিৰ্ধাৰিত অ'ভাৰত ৪টা উইকেট হেৰুৱাই ৩১০ ৰান সংগ্ৰহ কৰে। ফৈছাল শ্বিনোজাদাই সৰ্বাধিক ১১০ ৰান আৰু উজাইৰুল্লাহ নিয়াজাইয়ে ১০১ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ হৈ দীপেশ দেৱেন্দ্ৰন আৰু কনিষ্ক চৌহানে দুটাকৈ উইকেট দখল কৰে। আৰন জৰ্জক মেন অব দা মেচ বটা আগবঢ়োৱা হয়। ইয়াৰ পূৰ্বে বুলাৱায়ুত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত ইংলেণ্ডে যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়াক ২৭ ৰানত পৰাস্ত কৰিছিল। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ ইতিহাসত পাঁচবাৰকৈ খিতাপ দখল কৰি অভিলেখ ৰচা ভাৰত এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে অপৰাজিত হৈ আছে।

000000

বিধানসভা নিৰ্বাচনলৈ এমাহ বাকী থকা সময়ত কংগ্ৰেছে কালি **মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেঁওৰ পৰিয়ালৰ বিৰুদ্ধে দুৰ্নীতি আৰু কলা সম্পত্তিৰ তথ্যৰে ১২হাজাৰ বিঘা মাটি দখল কৰা** বুলি অভিযোগ উত্থাপন কৰে। এই বাতিৰিটোৱে আজি **অসমীয়া প্ৰতিদিন** কাকতত মুখ্য বাতৰিৰ শিৰোনাম দখল কৰিছে। **দৈনিক অগ্ৰদূত** কাকতেও বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। শিৱসাগৰত কালি বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীগৰাকী সৰৱ হোৱা এটা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। বিজেপি নেতা **য়ুমনাম খেমচান্দ সিঙে**কালি মণিপুৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ বাতৰিটো অনান্য কাকতসমূহৰ লগতে **দি টাইমচ অব ইণ্ডিয়া** কাকতত সবিস্তাৰে প্ৰকাশ পাইছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে অধিবক্তাৰ ৰূপত কালি উচ্চতম ন্যায়ালয়ত যুক্তি দৰ্শোৱাৰ বাতৰিটোক **অসমীয়া খবৰ** কাকতে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। **দৈনিক জনমভূমি** কাকতেও **'উকীলৰ ভূমিকাত মমতা'** শিৰোনামেৰে বিস্তৃতভাৱে বাতৰিটো প্ৰকাশ কৰিছে। **মিঞা বুলি দেশী মুছলমানক অত্যাচাৰ নকৰিব আৰু দেশী মুছলমান বুলি** মিঞা সম্প্ৰদায়ৰ ব্যক্তিক ৰক্ষণাবেক্ষণ নিদিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনোৱাৰ বাতৰিটোৱে **দি চেন্টিনেল**কাকততো শিৰোনাম দখল কৰিছে। ইফালে ছিংগাপুৰৰ কৰণাৰ্চ আদালতত কালি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰটোৰ শুনানি সম্পন্ন হয় আৰু ৬গৰাকী প্ৰৱাসী অসমীয়াই আদালতত সাক্ষ্য প্ৰদান কৰে। **দৈনিক অসম**কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

000000

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে অধিৱেশনৰ উদ্যোক্তাসকলে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অধিৱেশনথলীৰ লগতে প্ৰদৰ্শনীথলী, ভোজনালয় আদি সাজু কৰি তোলা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অধীনত অসম পৰ্যটন নিগমৰ উদ্যোগত কালি ডিব্ৰুগড়ৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৫০ জনতকৈও অধিক ৰোগীৰ মাজত সাহায্য চেক বিতৰণ কৰা হয়। অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কালি ডিব্ৰুগড়ৰ মিলন নগৰৰ সাংসদ কাৰ্যালয়ৰ ভৱনত ৰোগীসকলৰ মাজত এই চেক বিতৰণ কৰে।

০০০০০০

কলিয়াবৰ সংমণ্ডলৰ অন্তৰ্গত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দুখনকৈ পানীযোগান আঁচনি কালি মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। ২১ কোটি ৪৭ লাখ টকা ব্যয় সাপেক্ষে এই পানীযোগান প্ৰকল্প নিৰ্মাণ কৰা হৈছে। জখলাবন্ধা আৰু চিকনি বৰহোলাত নিৰ্মাণ কৰা এই দুই পানীযোগান আঁচনিৰ উদ্বোধনৰ পাছতে অঞ্চলটোৰ ৩ হাজাৰ ৫০০ পৰিয়াল উপকৃত হ'ব বুলি মন্ত্ৰী শ্ৰীমহন্তই প্ৰকাশ কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগে জখলাবন্ধা পানীযোগান আঁচনিৰ ৰিজাৰ্ভ টেংকত ৭ লাখ ৫০ হাজাৰ লিটাৰ আৰু চিকনি বৰহোলাৰ ৰিজাৰ্ভ টেংকত ৬ লাখ লিটাৰ পানী মজুত কৰি অঞ্চলটোৰ প্ৰতি ঘৰলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিব। এই এই প্ৰকল্পটোৱে অঞ্চলটোৰ ১০ খন গাঁৱৰ জনসাধাৰণে দীৰ্ঘদীন ধৰি সন্মুখীন হৈ অহা বিশুদ্ধ খোৱাপানীৰ সমস্যা নিৰ্মূল হ'ব বুলিও আশা কৰা হৈছে। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগ অধীক্ষক, অভিযন্তা, কাৰ্যবাহী অভিযন্তাকে ধৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশত পাতলীয়া বৰষুণ হোৱাৰ আৰু অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**